**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-05-2025 **Time :** 07-55 Hrs.

**<u>Assamese Morning Bulletin</u>**

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত হোৱা ভোটগ্ৰহণৰ সময়ত বিভিন্ন বিক্ষিপ্ত ঘটনা বা অন্যান্য কাৰণত ভোটগ্ৰহণত ব্যাঘাত জন্মা ৫ খন জিলাৰ মুঠ ৪৩টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুনৰ ভোটগ্ৰহণ আৰম্ভ হৈছে। সেই অনুসৰি হাইলাকান্দি জিলাৰ ৩১টা, শ্ৰীভূমিৰ ৮টা, গোলাঘাট আৰু মাজুলীৰ এটাকৈ ভোটকেন্দ্ৰত পুৱা চাৰে ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে। বিয়লি চাৰে ৪ বজালৈ এই কেন্দ্ৰকেইটাত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ৩৯ লৈ বৃদ্ধি পাইছে। আৰক্ষীয়ে শেহতীয়াকৈ দেশ বিৰোধী মন্তব্য কৰাৰ বাবে হোজাইৰ পৰা মিষ্টাকুল আলম আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ পৰা জেহিৰুল ইছলাম নামৰ লোক এজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষী এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত থাকিব বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে ভাৰত বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। একেদৰে হাইলাকান্দিত ৩ জন, চিৰাং, কোকৰাঝাৰ, কামৰূপ, গোৱালপাৰা, দক্ষিণ শালমাৰা মানকাচৰ আৰু নগাঁৱত দুজনকৈ তথা বিশ্বনাথ, দৰং, গোলাঘাট, ধুবুৰী, লখিমপুৰ, মৰিগাঁও, শিৱসাগৰ, শোণিতপুৰ, শ্ৰীভূমি, হোজাই আৰু তামুলপুৰ জিলাৰ এজনকৈ লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০০

সমগ্ৰ দেশ আৰু বিদেশৰ ১৩ খন চহৰৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত আজি দিনৰ ২ বজাৰ পৰা বিয়লি ৫ বজালৈ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপন তথা প্ৰৱেশ পৰীক্ষা নীট-ইউ জি অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰা মতে এই পৰীক্ষাৰ বাবে ২২ লাখ ৭০ হাজাৰৰো অধিক প্ৰাৰ্থীয়ে নাম পঞ্জীয়ন কৰিছে। এই পৰীক্ষা সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

অনলাইন ট্ৰেডিঙক লৈ বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ গোচৰত অভিযুক্ত বিশাল ফুকন আৰু তপন বৰা ওৰফে তাৰ্কিক বৰাক কালি কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হয়। বৃহস্পতিবাৰে দুয়োজন অভিযুক্তই জামিন লাভ কৰিছিল আৰু কালি ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুকলি হয়। ইয়াৰ আগেয়ে বৃহস্পতিবাৰে

গুৱাহাটী উচ্চ ন্যায়ালয়ে অনলাইন ট্ৰেডিঙক লৈ বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ গোচৰত অভিযুক্ত বিশাল ফুকন আৰু তপন বৰা ওৰফে তাৰ্কিক বৰাৰ জামিন মঞ্জুৰ কৰিছিল । ইপিনে, অনলাইন ট্ৰেডিঙক লৈ হোৱা বিত্তীয় অনিয়মৰ আন এগৰাকী অভিযুক্ত চুমি বৰা বৰবৰুৱা থানাত ৰুজু হোৱা গোচৰত এতিয়াও কাৰাৰুদ্ধ হৈ আছে।

০০০০০০০

সদৌ ডিব্ৰুগড়ৰ ছাত্ৰ সন্থাই সাহিত্যিক নগেন শইকীয়া আৰু অভিনেতা বিষ্ণু খাৰঘৰীয়াক **ডিব্ৰু** সন্মানেৰে সন্মানিত কৰে। জিলা ছাত্ৰ সন্থাই অসমীয়া নৱবৰ্ষৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ৰ চৌকিডিঙি খেলপথাৰত আয়োজন কৰা কেন্দ্ৰীয় ৰঙালী উৎসৱত প্ৰতি বছৰে ৰাজ্যৰ দুজন বিশেষ ব্যক্তিক **ডিব্ৰু** সন্মান প্ৰদান কৰি আহিছে। এই বৰ্ষৰ অনুষ্ঠানত দুয়োগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব নোৱাৰা বাবে কালি ডিব্ৰুগড় ছাত্ৰ সন্থাৰ লগতে কেন্দ্ৰীয় ৰঙালী উৎসৱ উদযাপন সমিতিৰ এটা প্ৰতিনিধি দলে সাহিত্যিক নগেন শইকীয়া আৰু অভিনেতা বিষ্ণু খাৰঘৰীয়াৰ বাসগৃহত উপস্থিত হৈ এই সন্মান প্ৰদান কৰে।

০০০০০০০

সংবাদ মাধ্যমৰ কৰ্মীসকলৰ মত প্ৰকাশৰ স্বাধীনতাৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে সমগ্ৰ বিশ্বতে কালি সংবাদ মাধ্যমৰ স্বাধীনতা দিৱস পালন কৰা হয়। ডিব্ৰুগড়ত কালি এই উপলক্ষে বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰসংঘৰ ভাৰতীয় সংঘৰ নতুন দিল্লীৰ উদ্যোগত আৰু জিলাখনৰ কেইবাটাও সংস্থাৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে অসম সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি ইকবাল আহমেদে সংবাদ মাধ্যমত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষক বক্তৃতা দিয়ে। এই অনুষ্ঠানটো ৰাষ্ট্ৰসংঘৰ ভাৰতীয় সংঘৰ সচিব ড০ অশ্বিনী শৰ্মাই উদ্বোধন কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ সভাপতি বিপীন শৰ্মা, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি ৰাজীৱ বৰগোঁহাইৰ লগতে ভালসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

অসম সাহিত্য সভাই মৈত্ৰী বন্ধন উপ-সমিতিৰ উদ্যোগত কালি ডিব্ৰুগড়ত বিদেশত অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ প্ৰয়োজনীয়তা শীৰ্ষক এটা বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম সাহিত্য সভাৰ আন্তঃৰাষ্ট্ৰীয় মৈত্ৰী বন্ধন উপ-সমিতি, স্নেহ বন্ধন, কানৈ মহাবিদ্যালয় আৰু ডিব্ৰুগড় শাখা সাহিত্য সভাৰ উদ্যোগত আয়োজিত এই বক্তৃতা অনুষ্ঠানত আয়াৰলেণ্ডৰ প্ৰৱাসী অসমীয়া দিগন্ত মালাকাৰে বক্তৃতা দিয়ে। এই অনুষ্ঠানত কেইবাগৰাকীয়ে প্ৰৱাসী অসমীয়াই অংশগ্ৰহণ কৰে। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী উদ্বোধন কৰা অনুষ্ঠানটিত প্ৰৱাসী অসমীয়া তথা স্নেহ বন্ধনৰ সভানেত্ৰী মঞ্জিৰা চৌধুৰী, জাৰ্মানীস্থিত প্ৰৱাসী অসমীয়া শ্ৰীমন্ত ভূঞাকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে ভাষণ দিয়ে।

০০০০০০০

আকাশবাণীযোগে প্ৰচাৰিত অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত অনুষ্ঠানত কালি কেবাগৰাকীও আবৃত্তিকাৰে আবৃত্তিক বিদ্যায়তনিক দিশত তথা পৰিবেশ্য কলা হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে আলোকপাত কৰে। অনুষ্ঠানত বিশিষ্ট আবৃত্তিকাৰ, শিক্ষাবিদ ডং অমৰজ্যোতি চৌধুৰী,

ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে আবৃত্তিয়ে কিদৰে ধ্ৰপদী অসমীয়া ভাষাৰ মৰ্যাদা অক্ষুন্ন ৰাখিব সেই বিষয়ে প্ৰকাশ কৰে।

০০০০০০০

**সমাপ্ত**